**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 13-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ফে’চবুক লাইভযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। নৱেম্বৰ মাহত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ’ব বুলি তেওঁ উল্লেখ কৰে।

বাইট

মুখ্যমন্ত্ৰীয়ে কয়, যে অহা ১৫ অক্টোবৰত এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ’ব। তেওঁ কয়, যে সেইদিনা দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবচাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ’ব বুলি প্ৰকাশ কৰে। অক্টোবৰৰ ভিতৰত ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ আজি ছিংগাপুৰৰ চাৰিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হৈছে। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জাঅ’লাংছাত নাৰ্জাৰী নামৰ এই লোককেইজনক এছ আই টিয়ে সোধা-পোছা অব্যাহত ৰাখিছে। ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা এই তিনিজনৰ লগতে ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতা নামৰ প্ৰবাসী অসমীয়াজন এছ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি নিশা ফে’চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি ভাষ্য দিবলৈ নহা ছিংগাপুৰৰ ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী সকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ’ব বুলি সকিয়াই দিছিল। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক স্বেচ্ছাই আহি ভাষ্য দি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাত সহযোগ আগবঢ়াবলৈ আহ্বান জনাইছিল। ডঃ শৰ্মাই কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন দিয়াৰ পাছত এছ আই টিয়ে তদন্তৰ নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি উল্লেখ কৰি কম দিনৰ ভিতৰতে আদালতত সকলো কথা প্ৰকাশ কৰা হ’ব বুলি জানিবলৈ দিছে। এই ঘটনাৰ তদন্তক লৈ অসম চৰকাৰ, যিদৰে সক্ৰিয় হৈ আছে, সেইদৰে ছিংগাপুৰ আৰক্ষীয়েও সক্ৰিয়ভাৱে তদন্ত চলাই আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে, এছ আই টিয়ে জুবিন গাৰ্গৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্নজনক সোধাপোছা কৰি ভাষ্য গ্ৰহণ কৰিছে। বিশেষ তদন্তকাৰী গোটে কালি অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি সাতোজনৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শীঘ্ৰে অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ’ব।

০০০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে ৰাজ্যৰ ২৬ খন জিলাত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে উপ-ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ সকলো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ অঞ্চল তথা নগৰ অঞ্চলৰ এক লাখ ৯২ হাজাৰ ৭১৬ গৰাকী শিশুক পলিঅ' প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কালি পলিঅ' প্ৰতিষেধক গ্ৰহণ কৰিব নোৱাৰা শিশুসকলক আজি আৰু কাইলৈ স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান কৰিব।

গোৱালপাৰা জিলাতো ৫ বছৰ বয়সৰ ভিতৰৰ মুঠ এক লাখ ৯৬ হাজাৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক প্ৰদান কৰিবলৈ লোৱা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালি প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ প্ৰথমদিনা প্ৰায় ৬৫ শতাংশ শিশুক পলিঅ' দিয়া হয়। জিলাখনৰ ৩২৮ খন ঠাইত এই কাৰ্যসূচীত এহেজাৰ ৭৮ গৰাকী স্বাস্থ্যকৰ্মীয়ে ৫১ হাজাৰ ৭২৮ টি শিশুক প্ৰতিষেধক প্ৰদান কৰে। জিলাখনৰ মুঠ ৮০ হাজাৰ শিশুক এই অভিযানৰ জৰিয়তে সামৰি লোৱা হৈছে।

ওদালগুৰি জিলাত এই অভিযানৰ অধীনত কাইলৈ পৰ্যন্ত এক লাখ ছহেজাৰ ৪৬৭ টি শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব।

চিৰাং জিলাত ৬০ হাজাৰ ২৪৬ টি শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত ৫ বছৰ বয়সৰ তলৰ এক লাখ ৩৮ হাজাৰ ৭৬৩টা শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। তদুপৰি ৫৩টা ভ্ৰাম্যমান প্ৰতিষেধক প্ৰদানকাৰী দলে দুৰ্গম আৰু যাতায়াতৰ অসুবিধা থকা স্থানলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব।

০০০০০০০

০০০০০০০

**সমাপ্ত**